# ছাত্ৰ-জীৱন আৰু সমাজসেৱা

**ডিম্বেশ্বৰ** নেওগ

ছাত্ৰ জীৱন শিক্ষাৰ সময়। শিক্ষা বুলিলে শুদা লিখা-পঢ়া কৰিব পৰাকে নুবুজায়। শিক্ষাৰ বিষয়ৰ সীমা নাই। মানুহৰ জীৱনৰ লক্ষ্য কি, কি-কি কাম কৰিলে মানুহ জনম ধৰা সাৰ্থক হয়, সাংসাৰিক জীৱনত কি উপায়েৰে কাম কৰিলে কৃতকাৰ্য হ'ব পাৰি, মুঠতে এনেবিলাক বিষয়ৰ জ্ঞানকে শিক্ষা বুলিব পাৰি আৰু ছাত্ৰ জীৱনত আমি এইবিলাক কথাকে শিকিব লাগিব।

"পঢ়াই, পঢ়ে, ৰোৱে পাণ।
এই তিনিয়ে নিচিন্তে আন।"

এই নীতি বচনত 'পঢ়া' মানে ভাটৌৰ দৰে দুটা কথা কিতাপৰ পৰা আওৰোৱাকে বুজোৱা নাই। ইয়াত 'পঢ়া' কথাই শিক্ষা লাভ কৰা বুজাইছে। শিক্ষাৰ্থী অৰ্থাৎ ছাত্ৰৰ একাগ্ৰতা সঁচাকৈয়ে উন্নতিৰ ঘাই মন্ত্ৰ। এই অৱস্থাত মনৰ গতি একমুখী হ'ব লাগে, বহুমুখী হ'লে ছাত্ৰৰ ছাত্ৰত্ব শক্তি লোপ পাব খোজে। ছাত্ৰ হৈ ঘৰুৱা জঞ্জাল কিছুমান মূৰত জাপি ল'লে, নাইবা বাহিৰত হৈ-চৈ কোলাহল আদিত গা ঢালি দিলে তেনে ছাত্ৰই নিজ জীৱনত উন্নতি কৰিব নোৱাৰে। এনেবিলাক কথাত কাল আৰু পাত্ৰভেদে বিচাৰ কৰি চলিব লাগিব। জ্ঞান অৰ্জনৰ কালত জ্ঞান বিতৰণ কৰিবলৈ যোৱাটো ন্যায় বুলিব নোৱাৰি, জ্ঞান অৰ্জনতহে তেওঁলোকৰ মন বুৰি থাকিব লাগিব।

ছাত্ৰ জীৱনৰ শিক্ষা জীৱন্ত সংসাৰৰ বিষয়ে শিক্ষা। কমাৰ শালত গঢ়িবলৈ হ'লে আগতে জুইশালত গঢ়ি চাব লাগিব। সাঁতুৰিবলৈ শিকিবলৈ হ'লে পানীত ননমাকৈ নহয়। গতিকে ছাত্ৰ জীৱনত শিক্ষা নিষ্কৰ্মা অৰ্থাৎ কাপ-কাকতৰ দূৰৰ পৰা বহি ৰংচোৱা শিক্ষাও নহয়। এনে শিক্ষাই অৱনুৱাক বনুৱা কৰিব, এয়ে ইয়াৰ উদ্দেশ্য। ছাত্ৰসকলে শালিধানৰ বোকামাটিত নেনামিব পাৰে, কিন্তু কঠীয়াতলিত হাল জুৰি চাব লাগিব, নহ'লে তেওঁলোকৰ কোনো শিক্ষাই হ'ব নোৱাৰে। শিক্ষাৰ শাৰীৰিক, মানসিক, নৈতিক,

আধ্যাত্মিক আদি যিবোৰ ভাগ আছে, সেই সকলো বিধৰে অনুশীলন অৰ্থাৎ চৰ্চা লাগে। আন বস্তুৰ দৰে ব্যৱহাৰত নলগোৱা স্থানতো মামৰে ধৰে। অভ্যাসৰ জুইশালত লৈ চাবই লাগিব, কিন্তু তেতিয়াও মনত ৰাখিব লাগিব, সেই কাল শিকাৰ ছলেৰেহে।

আমাৰ বৰ্তমান শিক্ষা কামৰ শিক্ষা নহয়, এয়ে ইয়াৰ ঘাই দোষ। ল'ৰাই কিতাপত পঢ়িব, 'দুখীয়াক মৰম কৰিবা।' শিক্ষকে সুধিব, দুখীয়া দন্ত্য দ নে মূৰ্ধন্য ড? নাইবা 'খ'ত হ্ৰস্ব ই-কাৰ নে দীৰ্ঘ ঈ-কাৰ?' কিন্তু এই কথা পঢ়ি গৈয়ে যদি ল'ৰাই বাটতে দুখীয়াক তিৰস্কাৰ বা বিদ্ৰূপ কৰে, তাৰ্লৈ চকু দিয়াটো শিক্ষকৰ কাম নহয়। ল'ৰাৰ মাক-বাপেকেও চাব কি? তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে পঢ়ি শুনি প্ৰকৃততে কিবা জ্ঞান লাভ কৰিছেনে নাই সেইটো নহয়; তেওঁলোকে বছৰি পৰীক্ষাত উত্তীৰ্ণ হৈছেনে বা শ্ৰেণীত প্ৰথম বা দ্বিতীয় হৈ উত্তীৰ্ণ হ'ব পাৰিছেনে নাই, সেইটোহে। সেইদৰে শাৰীৰিক উন্নতিৰ কাৰণে যত্ন কৰা শিক্ষাৰ এটি ঘাই কৰ্তব্য। সেইবাবে পঢ়াশালিয়ে পঢ়াশালিয়ে দেশী-কচৰতৰ শিক্ষা। একোটা পেন্দুকনা ল'ৰাই পুৱাই পুৱাই কৰ্কৰাই-পঁইতাই এমুঠি গিলি, পাঁচ ছমাইল পৰ্যন্ত বাট খোজ কাঢ়ি আহি দিনৰ দিনটো এটা ঠেক ঘৰত সোমাই থাকি লিখা-পঢ়া কৰাৰ পাছত যেতিয়া সিহঁতৰ পেটে কল মলাবলৈ ধৰে তেতিয়াহে তেওঁলোকৰ পৰিল ব্যায়ামৰ চৰ্চাৰ পাল! নাইবা, চাৰি-পাঁচশ ল'ৰাৰ ভিতৰত এঘাৰটা বা বাইশটা ল'ৰাই ফুটবল বা ক্ৰিকেট খেলিলে। সেয়ে হ'ল সদৌ স্কুলৰ ব্যায়াম চৰ্চাৰ জোখ। আৰু ইয়াতোকৈ আচৰিত কথা এয়ে হে, এটা ল'ৰাই ব্যায়ামৰ নামত হাতভৰি ভাঙি ফুটবলে ক্ৰিকেটে খেলিব নাইবা দহ মাইল বাট খোজ কাঢ়িব, কিন্তু নিজৰ বাৰীত কোৰ এচাব মাৰিবলৈ বা খৰি এডাল বুটলি আনিবলৈ টান পায়।

এনেবিলাক আমাৰ শিক্ষাৰ দোষ। বিলাত আৰু মাৰ্কিন আদি উন্নত আৰু স্বাধীন দেশৰ শিক্ষাত এনেবোৰ চকুত পৰা ত্ৰুটি দেখিবলৈ পোৱা নাযায়। তথাপি এই শিক্ষাৰ ভিতৰেদিয়েই আমি আৰু আমাৰ দেশৰ দহজন শিক্ষিত হৈ উঠিবই লাগিব। সেইদৰে আমাৰ শিক্ষাৰ দিহা আমি ওপৰঞ্চি স্বৰূপে সভা-সমিতি আদি যি উপায়েৰেই হ'ক কৰি ল'বই লাগিব। 'দুখীয়াক পুতৌ কৰিবা' বুলি পঢ়িলেই সেই বিষয়ৰ শিক্ষা পোৱা নহ'ল। হাতে-কামে সেইটো কৰিলেহে সি শিক্ষাস্বৰূপে আমাক গুণ দিব। বিলাতৰ বিশ্ববিদ্যালয় আদিত ছাত্ৰে সহপাঠী দুখীয়া ছাত্ৰক সহায় কৰাৰ ব্যৱস্থা কৰে, দেশৰ কোনো নতুন আন্দোলন হ'লে তাত পাৰ্যমানে নেতাসকলৰ লগত হাত উজান দিয়ে। আমাৰ দেশত ছাত্ৰৰ এনে সহযোগিতা আৰু দেশহিতৈষিতা শিক্ষা কৰিবৰ সুবিধা নাই; কিন্তু নাই বুলিয়ে হাত সাৱটি বহি থাকিলে নহ'ব। আমি নিজে এনেবোৰ সুবিধা উলিয়াই ল'ব লাগিব, দেশৰ এই ঘোৰ দুৰ্দিনৰ দিনত ডেকাসকলে প্ৰৌঢ়সকলৰ কান্ধৰ ভাৰখন দাঙি ল'বলৈ সাজু হৈ থাকিব লাগিব। কিন্তু ছাত্ৰসকলে এই সকলোবোৰ কাম কৰিব লাগিব ছাত্ৰ জীৱনৰ সীমাত থাকি, অৰ্থাৎ শিক্ষা লাভৰ উদ্দেশ্যেহে তেওঁলোকে পঢ়া-শুনা আদি সকলো কৰ্তব্য অটুটৰূপে কৰি ওপৰঞ্চিস্বৰূপে এনেবোৰ বিষয়ত হাত দিব লাগিব,

পঢ়া-শুনা এৰি থৈ নহয়। ছাত্ৰসকল দেশৰ ভৱিষ্যত, আশা-ভৰসাৰ কলি। এই কলি সময়ত বিকশিত হৈ ফুল আৰু তাৰ পাছত ফল হৈ মাতৃপূজাত লাগে। কাঁইট-কলিতে এইসকলক পূজাৰ উপচাৰস্বৰূপে মাতৃয়ে গ্ৰহণ নকৰে। ছাত্ৰসকলক ছাত্ৰ অৱস্থাত যিমান দূৰ পৰা হয় জ্ঞানকৰী, অৰ্থকৰী আৰু কাৰ্যকৰী জ্ঞান লাভ কৰিবলৈ দিয়ক, তেওঁলোক পৰিপুষ্ট হৈ দেশসেৱাৰ উপযুক্ত হ'ক। এই অৱস্থাত তেওঁলোকক চক্ খুৱাই, হুৱাই আনমনা কৰি দিলে তেওঁলোকৰ অহিত চিন্তা, আওপাকে দেশৰ মহা অমঙ্গল কৰা হয়। ছাত্ৰসকলৰ মনৰ গতি মুকলি হ'বলৈ আমি সকলো সুবিধা দিব লাগিব, তেওঁলোকক পোহৰলৈ ওলাবলৈ দিব লাগিব, চেঁচুকৰ ডেম-ডেউকা কৰি ৰাখিলে নহ'ব।

কাৰ্যকৰী শিক্ষাৰ ঠাই স্বৰূপে আমাৰ ছাত্ৰসকলে সম্প্ৰতি গাঁৱতে নিজৰ কাৰ্যক্ষেত্ৰ বাছি ল'ব পাৰে। এই কুৰি শতিকাৰ মাজ ভাগতো আমাৰ দেশত অজ্ঞানতাই নিৰ্বিবাদে ৰাজত্ব কৰিছে, ইয়াতকৈ আৰু ধিক্কাৰৰ কথা কি হ'ব পাৰে। আজিৰ স্বাধীন আৰু উন্নত দেশবোৰ ইয়াৰ তিনি-চাৰিশ বছৰ আগেয়ে যি অৱস্থাত আছিল আমাৰ দেশৰ অধিকাংশ লোক আজিও এই অৱস্থাতে। আমাৰ গাঁওবোৰত মাথোন আমাৰ পুৰণি সভ্যতা, শিক্ষা আৰু সাধনাৰ অলপ অৱশেষ দেখিবলৈ পোৱা যায়; কিন্তু অনেক দিনৰ অজ্ঞানতাই সেই সভ্যতাক অসভ্যতা, সেই শিক্ষাক অশিক্ষা আৰু সেই সাধনাক কপটতাত পৰিণত কৰিছে। আজি গাঁও অজ্ঞানতা আৰু কুসংস্কাৰৰ লীলাভূমি। ঈশ্বৰে গাঁও সৃজিছে, মানুহে নগৰ সাজিছে। ঋষিসকলৰ পূজনীয় গাঁৱত সোমাই আজি কি দেখিবা? সকলো লোক অজ্ঞনতা অচেতন, গাহৰিৰ দৰে পেটপুহি থকাকে বহুতে জীৱনৰ লক্ষ্য বুলি ভাবিছে; নিজৰ ঘৈণী আৰু ল'ৰা-ছোৱালীৰ বাহিৰে আনৰ মৰম নুবুজে, এচিকটা মাটিৰ কাৰণেই ভায়ে ভায়ে কটা-কটি, মৰা-মৰি কৰি কাছাৰী ঘৰলৈ আহি পাপৰ বেহা বেহাইছে। কানি-ভাং আদিত অনেক মজি আছে, চাৰিওফালে দেশত ক'ত কি কাণ্ড হ'ব লাগিছে তাক খায় নে কাণতে পিন্ধে ক'ব নোৱাৰে; দুহালিচা মাটিৰ খেতিত ল'ৰাই-ছোৱালীয়ে এঘৰোৱাল মানুহ লোন-তেলকণৰে পৰা মণি, কেৰু, 'ছিমলাই' চুৰীয়ালৈকে সকলো বস্তু লৈ পোহ যাবলৈ আশা পালি আছে। উন্নতিৰ ফালে সমূলি ধাউতি নাই। "দিন যক কাপোৰ নেফাটক" কৰি কাল বঞ্চিছে। "উদৰ সাত পুৰুষ মৰিল কেঁচা মাছ খাই, বান্দৰৰ সাত পুৰুষ মৰিল ডাল কোবাই"— এই বচন মাতি নিজক উদ আৰু বান্দৰৰ শাৰীত বহুৱাই ৰাখিছে। কূৰ্চুট-কপটে আমাৰ গাঁওবোৰ খুলি-খুলি খাইছে; গাঁৱত এটিৰ ভাল দেখিলে তাৰ লগতে নিজেও উধাবলৈ চাওক চাৰি কেনেকৈ সেইটিকো নমাই আকৌ তেওঁলোকৰ শাৰীতে থ'ব পাৰিব তাৰ চিন্তাত ৰাতিও টোপনি নাই। একেডোখৰ মাটিতে সাৰ-জাবৰ দি কেনেকৈ তাৰ পৰা সৰহ শস্য উলিয়াব পাৰি, কেনেকৈ গৰু জাতিটোক ভালদৰে পোহ-পাল দি নিজৰ অৱস্থা অলপ টনকিয়াল কৰিব পাৰি, লোকৰ হাত-মুখলৈ নাচাই কেনেকৈ নিজেই নিজৰ লাজ নিবাৰণ কৰিবৰ কাৰণে কানিডোখৰ উলিয়াই ল'ব পাৰে তালৈ মনকান নাই। হায়, যি জাতিয়ে লোকৰ হাত-মুখলৈ নেচালে নিজৰ ল'ৰা-ছোৱালীৰ লাজ নিবাৰণ কৰিব নোৱাৰে সেই জাতি সভ্যতা সোপানৰ কিমান তল খাপত!

ছাত্রসকলে গাঁৱত সোমাই নিজ ঘৰে-ঘৰে গাঁৱে গাঁৱে অশিক্ষিত লোকসকলৰ এই বিষয়ে চকু মুকলি কৰিব লাগিব; ককাই, দদাই বা দেউতা বুলি তেওঁলোকক নিজ অৱস্থাৰ কথা চকুৰ আগত দাঙি ধৰিব লাগিব, বাতৰি কাকত আৰু জ্ঞান আৰু জগতৰ বাতৰি থকা পুথি পঢ়ি তেওঁলোকৰ অজ্ঞানতা দূৰ কৰিববলৈ যত্ন কৰিব লাগিব, তেওঁলোকৰ মাজৰ পৰা কুৰ্চুট-কপট গুচাবলৈ চাব লাগিব, গাঁৱত কোনো নৰীয়া আদি হ'লে উপদেশেৰে বা আন উপায়েৰে সহায় কৰিব লাগিব, উপদেশেৰে আৰু উদাহৰণেৰে নিজৰ ঘৰ আৰু গাঁওখন একোখন আদৰ্শ গাঁও কৰিববলৈ চাব লাগিব। এইবোৰ কাম ছাত্ৰৰ কৰ্তব্যৰ বাহিৰ নহয়, কিয়নো এইখিনি কাম তেওঁলোকৰ কাৰ্যকৰী শিক্ষাৰ একোটি পাঠ মাথোন। ইয়াতো তেওঁলোক শিক্ষাৰ্থীহে, শিক্ষক নহয়। এইবিলাক কামত সহানুভূতি নথকা লোকসকলে দূৰৰ পৰা চাই নানা অমঙ্গল আৰু অকৃতকাৰ্যতাৰ স্বপ্ন দেখিব পাৰে। কিন্তু আশাশুধীয়াকৈ কাম কৰাসকলৰ হাতত ইয়াৰ মঙ্গল আৰু কৃতকাৰ্যতা ধৰা নপৰি নাথাকে। ইয়াত মই ক'ব খোজা নাই যে গাঁৱৰ সকলো দোষেই, নগৰত দোষ নাই; মই ইয়াকেহে ক'ব খুজিছোঁ, গাঁও একাধাৰে নগৰৰ জনক-জননী। গাঁৱেই মাতৃস্বৰূপে নগৰক জন্ম দি পিতৃস্বৰূপে পালন কৰিছে। নগৰ যেনেকৈ একে উশাহে সৃষ্ট হৈছে, সেইদৰে একে উশাহতে নষ্ট হ'ব; কিন্তু গাঁও অৰ্থাৎ খেতিয়ক জাতিটো এবাৰ ধ্বংস পালে তাক সহজে পুনৰ জন্মাব নোৱাৰি। সেইদেখি প্ৰকৃত দেশৰ উন্নতি কৰা মানে গাঁৱৰ উন্নতি কৰা; গাঁৱত শিক্ষা বিস্তাৰ কৰা, গাঁৱলীয়া লোকসকলক নিজ সন্মান আৰু দায়িত্বৰ কথা সোঁৱৰাই দিয়া। পশ্চিমৰ শিক্ষা আৰু সভ্যতাৰ লগত এটি পৱিত্ৰ সাম্য ভাবৰ ঢৌ আহিছে; সেই সাম্যভাব এতিয়া আমি সকলোৱে প্ৰচাৰ কৰিব লাগিব। খোৱা-লোৱা, থকা-মেলা সকলো বিষয়ে যে গৰু-পহুৰ জীৱনতকৈ মানুহৰ জীৱন বহু ওখভাৱে নিয়াব লাগে সেই কথাও দেখুৱাব লাগিব। এনেবোৰেই ছাত্ৰসকলৰ আহৰি সময়ৰ উপযুক্ত বন আৰু কাৰ্যকৰী দেশ সেৱাৰ শিক্ষা হ'ব। এই সমাজ সেৱা আৰু দেশ সেৱাৰ শিক্ষাই প্ৰকৃত শিক্ষা। এই নৰ সেৱাই প্ৰকৃত নাৰায়ণ সেৱা।

**লেখক-পৰিচয় ঃ**

**ডিম্বেশ্বৰ নেওগ (১৮৯৯—১৯৬৬)** ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী-প্ৰণেতা হিচাপে পৰিচিত ডিম্বেশ্বৰ নেওগ একেধাৰে কবি, নিৰ্ভীক সমালোচক আৰু গৱেষক। অসমীয়া বৈষ্ণৱ সাহিত্যৰ এগৰাকী গুণগ্ৰাহী-প্ৰবক্তা আৰু সমালোচক, লোক-সাহিত্যৰ সংগ্ৰাহক তথা আধুনিক যুগৰ (প্ৰথমছোৱা) অসমীয়া সাহিত্যৰ এজন লব্ধপ্ৰতিষ্ঠ ব্যাখ্যাকাৰ নেওগৰ জন্ম ১৮৯৯ খ্ৰীষ্টাব্দত শিৱসাগৰৰ কমাৰফদীয়া গাঁৱত। পিতৃ মানিক চন্দ্ৰ নেওগ। শিৱসাগৰত স্কুলীয়া শিক্ষা সমাপ্ত কৰি গুৱাহাটীৰ কটন কলেজৰ পৰা

বি.এছ.ছি. পাচ কৰি চৰকাৰী স্কুলৰ শিক্ষক হয়। পাছলৈ এম. এ. আৰু বি. টি. পাচ কৰি বিভিন্ন ঠাইত শিক্ষকতা কৰি যোৰহাটৰ পৰা অৱসৰ লয়। কলেজীয়া সময়ৰ পৰাই 'বাঁহী' আলোচনীত প্ৰবন্ধ আৰু কবিতা প্ৰকাশ কৰা নেওগ ডাঙৰীয়াৰ কবিতাপুথিসমূহ হ'ল, 'মালিকা', 'থুপিতৰা', 'মালতী', 'ইন্দ্ৰধনু', 'মুকুতা', 'স্বহীদ কাৰবালা', 'থাপনা' আদি। 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী', 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত এভুমুকি', 'বৈষ্ণৱ ধৰ্মৰ আঁতি-গুৰি', 'বৈষ্ণৱ ধৰ্মৰ ক্ৰমবিস্তাৰ', 'প্ৰাক্ ঐতিহাসিক অসম', 'Growth of the Asamiya Language' আদিকে ধৰি কেইবাখনো সমালোচনাত্মক গ্ৰন্থ নেওগদেৱে ৰচনা কৰিছিল। 'আৱাহন' আলোচনীত প্ৰকাশিত এই প্ৰবন্ধটিৰ মাজেৰে ছাত্ৰ-জীৱনত জ্ঞান আহৰণ কৰি নিজৰ লগতে দহৰ উন্নতি সাধন কৰাই যে শিক্ষাৰ উদ্দেশ্য হ'ব লাগে তাক প্ৰকাশ কৰা হৈছে।

**পাঠবোধ ঃ**

ছাত্ৰ জীৱন শিক্ষা আহৰণৰ সময়। শিক্ষা শব্দটোৰ অৰ্থ ব্যাপক। শিক্ষা শব্দই কেৱল লিখা-পঢ়া কৰাকে নুবুজায়। মানৱ জীৱনৰ লক্ষ্য, উদ্দেশ্য, জীৱনত কৃতকাৰ্যতা লাভৰ উপায় ইত্যাদি অনেক বিষয়ৰ জ্ঞানক শিক্ষাৰ পৰিসৰে সামৰি লয়। শিক্ষাৰ্থীসকল শিক্ষা লাভৰ সময়ছোৱাত একাগ্ৰ হোৱাটো অতিকে প্ৰয়োজনীয় গুণ। এই অৱস্থাত মনৰ গতি একমুখী হ'ব লাগে। একাগ্ৰচিত্তে অধ্যয়নত নিমগ্ন নহৈ বাহ্যিক বাতাবৰণত উটি-ভাঁহি গ'লে জীৱনত কৃতকাৰ্যতা লাভ কৰিব নোৱাৰি। শিক্ষাৰ্থীসকলে শিক্ষাৰ শাৰীৰিক, মানসিক, নৈতিক, আধ্যাত্মিক আদি সকলো দিশৰে অনুশীলন কৰি জীৱনত আগুৱাই যাবলৈ প্ৰয়াস কৰিব লাগে।

আজিৰ শিক্ষা ব্যৱস্থাত অনেক কেৰোণ আছে। বৰ্তমানৰ শিক্ষা কামৰ শিক্ষা অৰ্থাৎ কাৰ্যকৰী বা ব্যৱহাৰিক শিক্ষা নহয়। এইক্ষেত্ৰত শিক্ষক, অভিভাৱক তথা শিক্ষা-ব্যৱস্থাৰ দোষ আছে। শিক্ষকসকলে পাঠৰ আভ্যন্তৰীণ বোধ বা মূল বিষয়বস্তু শিক্ষাৰ্থীক অৱগত কৰোৱাত বহু ক্ষেত্ৰত অপাৰগ হয়, ঠিক একেদৰে অভিভাৱকসকলৰ বহুতেই নিজৰ সন্তানক নশ্বৰৰ প্ৰতিযোগিতামূলক পৃথিৱীখনৰ সৈতে ফেৰ মৰোৱাৰ ক্ষেত্ৰতহে অধিক গুৰুত্ব আৰোপ কৰে। আনহাতে শাৰীৰিক শিক্ষাৰ বিষয়তো দেশৰ পঢ়াশালিসমূহত ভেকোভাওনা সদৃশ পৰিস্থিতিয়েহে বিৰাজ কৰা দেখা যায়।

**শব্দাৰ্থ আৰু টোকা ঃ**

| | |
|---|---|
| চেঁচুক | ঃ ৰ'দ নপৰা চেঁচা আৰু জেকা ঠাই। |
| ডেম-ডেউকা | ঃ জেকা ঠাইত হোৱা এবিধ ৰসাল, বিজলুৱা ক্ষুদ্ৰ গছ। |
| দুৰ্দিন | ঃ বেয়া দিন, দুখৰ দিন। |
| পেন্দুকণা | ঃ নিচেই সৰু। |
| সহপাঠী | ঃ একেলগে পঢ়োঁতা। |

## প্ৰশ্নাৱলী

**ভাব-বিষয়ক ঃ**

১। অতি চমুকৈ উত্তৰ লিখা ঃ

(ক) লিখকৰ মতে ছাত্ৰ-জীৱনৰ প্ৰকৃত উদ্দেশ্য কি কি?

(খ) বৰ্তমানৰ প্ৰচলিত শিক্ষাৰ দোষ কি কি?

(গ) ছাত্ৰসকলে কি কি বিষয়ত জ্ঞান লাভ কৰি দেশসেৱাত ব্ৰতী হ'ব লাগে?

(ঘ) ছাত্ৰসকলে কাৰ্যকৰী শিক্ষা ক'ৰ পৰা কিদৰে লাভ কৰিব পাৰে?

(ঙ) লিখকৰ মতে দেশৰ প্ৰকৃত উন্নতি কৰা মানে কিহৰ উন্নতি কৰা?

২। ছাত্ৰ-জীৱনৰ প্ৰকৃত উদ্দেশ্য সফল কৰিবলৈ ছাত্ৰসকলে শিক্ষাৰ সময়ছোৱাত কেনেবোৰ পন্থা অৱলম্বন কৰিব পাৰে? দেশ সেৱাত ব্ৰতী হ'বলৈ ছাত্ৰ-জীৱনত বহুমুখী শিক্ষাৰ প্ৰয়োজনীয়তা সম্বন্ধে আলোচনা কৰা।

৩। 'এইখিনি কাম তেওঁলোকৰ কাৰ্যকৰী শিক্ষাৰ একোটি পাঠ মাথোন।'—কোনখিনি কাম তেওঁলোকৰ (ছাত্ৰ-ছাত্ৰীসকলৰ) কাৰ্যকৰী শিক্ষাৰ একোটি পাঠ বুজাই লিখা।

৪। আমাৰ দেশৰ অধিকাংশ লোক আজিও কেনে অৱস্থাত আছে পাঠটোৰ আধাৰত বুজাই লিখা।

৫। 'গাঁও একাধাৰে নগৰৰ জনক-জননী।'—কথাষাৰৰ তাৎপৰ্য বুজাই লিখা।

৬। ব্যাখ্যা কৰা ঃ

(ক) পঢ়াই, পঢ়ে, ৰোৱে পাণ।
এই তিনিয়ে নিচিন্তে আন।।

(খ) কমাৰশালত গঢ়িবলৈ হ'লে আগতে জুইশালত গঢ়ি চাব লাগিব। সাঁতুৰিবলৈ শিকিবলৈ হ'লে পানীত ননমাকৈ নহয়।

(গ) এই কলি সময়ত বিকশিত হৈ ফুল আৰু তাৰ পাছত ফল হৈ মাতৃপূজাত লাগে। কাঁইট-কলিতে এইসকলক পূজাৰ উপচাৰ স্বৰূপে মাতৃয়ে গ্ৰহণ নকৰে।

(ঘ) নৰ সেৱাই প্ৰকৃত নাৰায়ণ সেৱা।

**ভাষা-বিষয়ক ঃ**

১। বিপৰীত শব্দ লিখা ঃ
নিষ্কৰ্মা, ত্ৰুটি, সহযোগিতা, দেশহিতৈষিতা, প্ৰৌঢ়।

২। সমাৰ্থক শব্দ লিখা ঃ
কাৰ্যকৰী, প্ৰকৃত, সাম্য, আনমনা, অৰ্থকৰী, কাপ, কাকত।

৩। বাক্য ৰচনা কৰা ঃ
নীতি-বচন, কাপ-কাকত, কূটুট-কপট, জনক-জননী, লোণ-তেল।

● ● ●